**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 24-02-2025 **Time :** 1715 Hrs.

***Assamese Evening Bulletin***

অসমৰ চাহ শিল্পৰ ২০০ বছৰীয়া চহকী ঐতিহ্যক উদ্‌যাপনৰ অংশ হিচাপে ৰাজ্য চৰকাৰে আজি আয়োজন কৰা ঝুমুৰ নৃত্যৰ সৰ্ববৃহৎ অনুষ্ঠান **ঝুমইৰ বিনন্দিনী**ৰ কিছু সময় পাছতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শুভাৰম্ভ কৰিব। গুৱাহাটী সৰুসজাই ষ্টেডিয়ামত এই অনুষ্ঠানৰ বাবে আঠ সহস্ৰাধিক শিল্পী সমাবেত হৈছে। ৰঙা পাৰিৰ শুভ্ৰ শাৰী পৰিহিতা চাহ জনগোষ্ঠীৰ গাভৰুৰ নৃত্যৰ ছন্দ আৰু ঢোল-মাদলৰ চেওত খন্তেক পাছতে ষ্টেডিয়ামখন মুখৰ হৈ উঠিব। চাহ জনগোষ্ঠীৰ চহকী সাংস্কৃতিক পৰম্পৰাক বিশ্ববাসীৰ সন্মুখলৈ লৈ যোৱাৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে আয়োজন কৰা এই দৃষ্টিনন্দন কাৰ্যসূচী প্ৰধানমন্ত্ৰীৰ লগতে বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰৰ নেতৃত্বত অহা ৬১ গৰাকী ৰাষ্ট্ৰদূতেও উপভোগ কৰিব। ইয়াৰে ২২ গৰাকী ৰাষ্ট্ৰদূতে পৰিয়ালৰ সৈতে এই অনুষ্ঠান প্ৰত্যক্ষ কৰিব। এই অনুষ্ঠান ৰাজ্যৰ ৮০০ খন চাহ বাগিচাত টিভি, এল ই ডি, প্ৰজেক্টৰৰ জৰিয়তে চৰকাৰে প্ৰদৰ্শন কৰাৰ ব্যৱস্থা কৰিছে। এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ অংশ হিচাপে ৰাজ্য চৰকাৰে আয়োজন কৰা অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী উপস্থিত হৈ এখন বিশেষ বাহনেৰে ষ্টেডিয়ামৰ চাৰিওফালে ঘূৰি অনুষ্ঠানত অংশগ্ৰহণ কৰা শিল্পী আৰু দৰ্শকক অভিবাদন জনাব। ঝুমুৰ নৃত্য শেষ হোৱাৰ পাছত এটা লেজাৰ শ্ব' প্ৰদৰ্শন কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰিছে। প্ৰধানমন্ত্ৰী মোদীক আদৰিবলৈ গুৱাহাটীৰ বৰঝাৰৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্য কেইখনৰ বাচক বনিয়া সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰা হৈছে।

০০০০০০০

দেশী-বিদেশী বিনিয়োগকাৰীৰ অংশগ্ৰহণেৰে কাইলৈ আৰু পৰহিলৈ গুৱাহাটীত হ'বলগীয়া উত্তৰ-পূৰ্বাঞ্চলৰ সৰ্ববৃহৎ বিনিয়োগ আৰু আন্তঃগাঁথনি সন্মিলন এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি খানাপাৰাৰ অসম পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়ৰ খেলপথাৰ পৰিদৰ্শন কৰি এই শীৰ্ষ সন্মিলনৰ অন্তিম প্ৰস্তুতিৰ বুজ লয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কাইলৈ এই সন্মিলন আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব। মুখ্যমন্ত্ৰী শৰ্মাই সন্মিলন উপলক্ষে নিৰ্মীয়মান সভাকক্ষ, পেভেলিয়ন, প্ৰদৰ্শনীস্থলীকে ধৰি অন্যান্য সা-সুবিধাসমূহৰ বুজ লোৱাৰ উপৰি সন্মিলনখন সাফল্যমণ্ডিত কৰি তোলাৰ বাবে সংশ্লিষ্ট বিষয়াসকলক যাৱতীয় নিৰ্দেশ দিয়ে। ইতিমধ্যে বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰৰ নেতৃত্বত বিভিন্ন দেশৰ ৬১ গৰাকী ৰাষ্ট্ৰদূত কালি যোৰহাটত উপস্থিত হয়। ড০ জয়শংকৰৰ নেতৃত্বত এই ৰাষ্ট্ৰদূতসকলৰ অসম ভ্ৰমণে ৰাজ্যৰ বাবে বিদেশৰ সৈতে সহযোগিতাৰ অলেখ সুযোগ মুকলি কৰিব বুলি মুখ্যমন্ত্ৰী শৰ্মাই আশা প্ৰকাশ কৰে। উল্লেখযোগ্য যে ৰিলায়েন্স, আদানী, জে এছ্ ডব্লিউ গ্ৰুপকে ধৰি দেশ-বিদেশৰ শীৰ্ষ উদ্যোগপতিসকলে এই শীৰ্ষ সন্মিলনত ভাগ ল'ব।

এডভাণ্টেজ আছাম শীৰ্ষ সন্মিলনৰ বাবে গুৱাহাটী মহানগৰীৰ সুৰক্ষা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে। অনুষ্ঠানৰ সময়ছোৱাত যাতে কোনো ধৰণৰ অপ্ৰীতিকৰ ঘটনা সংঘটিত হ'ব নোৱাৰে তাৰ বাবে পৰ্যাপ্ত সংখ্যক সুৰক্ষা কৰ্মী নিয়োগ কৰাৰ উপৰি সকলো দিশত নিৰাপত্তাৰক্ষী সকলে চোকা দৃষ্টি ৰাখিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেবিনেট মন্ত্ৰী, বিশিষ্ট উদ্যোগপতি আৰু ৰাষ্ট্ৰদূতসকলৰ ভ্ৰমণৰ পৰিপ্ৰেক্ষিতত অতিৰিক্ত সুৰক্ষা ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ছাত্ৰ-ছাত্ৰী, জ্যেষ্ঠ নাগৰিক তথা বিশেষভাৱে সক্ষম ব্যক্তি আৰু জৰুৰীকালীন বাহন আদিৰ চলাচলত সুবিধা হোৱাকৈ মহানগৰ আৰক্ষী জিলা প্ৰশাসনে কেতবোৰ নিৰ্দেশনা জাৰি কৰিছে। আজিৰেপৰা পৰা পৰহিলৈ পৰ্যন্ত এই নিৰ্দেশনাসমূহ কাৰ্যকৰী হ'ব।

০০০০০০০

এডভাণ্টেজ আছাম শীৰ্ষ সন্মিলনত বি টি চি প্ৰশাসনৰ তৰফৰ পৰা এখন প্ৰদৰ্শনি মুকলি কৰা হ'ব। চিৰাং জিলাৰ সদৰ কাজলগাঁৱত বি টি চিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে এই বিষয়ে প্ৰকাশ কৰে। এই প্ৰদৰ্শনীত বি টি আৰৰ পৰ্যটনৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ স্থানসমূহৰ তথ্য, হস্ততাত শিল্প, কৃষি আৰু অঞ্চলটোত ৰূপায়ণ কৰা বিভিন্ন আঁচনিৰ বিষয়ে আলোকপাত কৰা হ'ব। এই সন্মিলনে বি টি আৰক উপকৃত কৰিব বুলি শ্ৰী বড়োৱে আশা প্ৰকাশ কৰে।

০০০০০০০

প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধি আঁচনিৰ ঊনবিংশ কিস্তিত ৰাজ্যখনৰ প্ৰায় ২০ লাখ ৮৭ হাজাৰ কৃষকে মুঠ ৪৭৫ কোটি টকা লাভ কৰিবলৈ সমৰ্থ হৈছে। এই অভিলাসী আঁচনিৰ জৰিয়তে কৃষকসকলক প্ৰত্যক্ষ আৰ্থিক সাহায্য প্ৰদান কৰি তেওঁলোকৰ সমৃদ্ধিশালী জীৱন সুনিশ্চিত কৰাৰ প্ৰয়াস কৰা হৈছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বিহাৰৰ ভগলপুৰত আয়োজিত **কিষাণ সন্মান সমাৰোহ**ত অংশগ্ৰহণ কৰি সমগ্ৰ দেশৰ ৯ কোটি ৮ লাখৰো অধিক কৃষকৰ বাবে প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধিৰ ঊনবিংশ কিস্তিত ২২ হাজাৰ কোটি টকা আনুষ্ঠানিকভাৱে মুকলি কৰে। দেশৰ বিভিন্ন প্ৰান্তৰ কৃষকসকলৰ লগতে কৃষি বিভাগৰ সংশ্লিষ্ট বিষয়াসকলে এই অনুষ্ঠানত ভাৰ্চুৱেল ব্যৱস্থাৰে অংশগ্ৰহণ কৰে। গুৱাহাটীৰ জনতা ভৱনৰ পৰা কৃষিমন্ত্ৰী অতুল বৰা, কৃষি বিভাগৰ আয়ুক্ত সচিব তথা কৃষি উৎপাদন আয়ুক্ত অৰুণা ৰাজোৰীয়া, কৃষি সঞ্চালক ভাস্কৰ পেগু, অতিৰিক্ত সচিব ত্ৰিপুৰেন্দ্ৰ পাটৰ, যুটীয়া সচিব বিপুল দাসকে ধৰি কৃষি বিভাগৰ অন্যান্য বিষয়াসকলে এই অনুষ্ঠানত ভাগ লয়। উল্লেখযোগ্য প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধি আঁচনিৰ অষ্টাদশ কিস্তিৰ জৰিয়তে ৰাজ্যৰ ১৮ লাখ ৮৮ হাজাৰ কৃষক উপকৃত হৈছিল। শেহতীয়াকৈ ৰাজ্যত এই কিস্তিৰ বাবে যোগ্য হিতাধিকাৰীৰ হাৰ ১০ শতাংশ বৃদ্ধি পাইছে বুলি কৃষিমন্ত্ৰী অতুল বৰাই এটা বাৰ্তাত প্ৰকাশ কৰিছে। এই অভিলাসী আঁচনিৰ অধীনত প্ৰতিগৰাকী যোগ্য কৃষকে প্ৰত্যক্ষ লাভালাভ হস্তান্তৰৰ জৰিয়তে ২ হাজাৰ টকাকৈ লাভ কৰে। সমগ্ৰ ৰাজ্যতে এই আঁচনিত যোগ্য কৃষকৰ পঞ্জীয়ন বৃদ্ধিৰ বাবে কৃষি বিভাগে সক্ৰিয় পদক্ষেপ গ্ৰহণ কৰি আহিছে।

০০০০০০০

**সমাপ্ত**